# 42ND ESTABLISHMENT DAY - 24TH SEPTEMBER 2025
# NAGAON G.N.D.G. COMMERCE COLLEGE

Nagaon G.N.D.G. Commerce College celebrated its **42nd Establishment Day** on **24th September, 2025** with great enthusiasm and reverence. The programme commenced with a **floral tribute to the legendary music maestro Zubeen Garg**, followed by the **College Flag Hoisting** by **Sjt. Pradip Kr. Bora**, President of the College Governing Body. In their addresses, **Sjt. Pradip Kr. Bora** and **Dr. Mriganka Saikia, Principal of the College**, extended heartfelt greetings to faculty members, non-teaching staff, students and stakeholders. On the Occasion of **42nd Establishment Day** they also reflected on the significant milestones achieved during the college's 42-year journey. The event was conducted by **Mrs. Bijumoni Pathak, Associate Professor, Department of Mathematics and Statistics**. Later, the G.B. President, Principal, faculty members, and students, paid homage by garlanding the statues of the eminent founders of the institution—**Late Gopinath Dev Goswami, Late Ratna Kanta Bora, and Late Kamal Chandra Goswami**. The Programme was formally inaugurated by Dr. Mriganka Saikia, Principal of the College. On this occasion, the College Wall Magazine ***"Ratna Kamal"*** was ceremonially inaugurated by **Dr. Prabir Kr. Dev Purkayastha, retired faculty of the college**.

In the evening, the campus came alive with colourful illuminations and traditional ***Bonti Prajalon*** (earthen lamp lighting). **Sri Naren Ch. Sarmah, retired Upper Division Assistant, and Sri Tularam Baidya, retired Accountant of the College**, along with the Principal, staff, and students, lit **42 earthen lamps**, symbolising each glorious year of the institution's journey.

The day-long celebration reflected the rich heritage of the college while inspiring all to strive for greater achievements in the years ahead.

















নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**গণ অধিকাৰ সেৱা, বড়মপুৰ, ২৪ ছেপ্টেম্বৰ** ঃ মধ্য অসমৰ বাণিজ্য শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালযৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি বুধবাৰে দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। আৰম্ভণিতে প্ৰয়াত গণশিল্পী জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ বৰাই। ইয়াৰ পাছৰ কাৰ্যসূচী অনুসৰি গোপীনাথ দেৱ গোস্বামী দেৱৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, প্ৰতিষ্ঠাপক অধ্যক্ষ কমল চন্দ্ৰ গোস্বামী আৰু প্ৰতিষ্ঠাপক সভাপতি ৰত্ন কান্ত বৰাদেৱৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে মহাবিদ্যালয় অধ্যক্ষ ড° মৃগাংক শইকীয়াই। অনুষ্ঠানৰ শেষৰ ভাগত মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা 'ৰত্ন কমল' উন্মোচন কৰা হয়। ৰত্ন কমল উন্মোচন কৰে অবসৰপ্ৰাপ্ত অধ্যাপক ড° পি কে ডি পুৰকায়স্থই। সমগ্ৰ অনুষ্ঠানটো আঁত ধৰে মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা বিজুমণি পাঠকে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ দাতা পৰিয়ালৰ হৈ অধিবক্তা নৱ গোস্বামী, অৱসৰ প্ৰাপ্ত অধ্যক্ষ গুণধৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক ক্ৰমে ড° প্ৰফুল্ল শইকীয়া, জেহিৰুল ইছলাম পাঠান, মহাবিদ্যালয় উপাধ্যক্ষ উমেশ্বৰ শইকীয়াৰ লগতে মহাবিদ্যালৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস লগত সংগতি ৰাখি বিয়লি ভাগলৈ ৪২ গছি বন্তি প্ৰজ্বলনৰ আয়োজন কৰা হয়। যিটো কাৰ্যসূচী আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ক্ৰমে-নৰেশ চন্দ্ৰ শৰ্মা আৰু তুলাৰাম বৈদ্যাই।























## নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

বিশেষ বাৰ্তা, নগাঁও, ২৪ ছেপ্টেম্বৰ ঃ মধ্য অসমৰ বাণিজ্য শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ ৪২সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। আৰম্ভণিতে প্ৰয়াত গণশিল্পী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ বৰাই। গোপীনাথ দেৱ গোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, প্ৰতিষ্ঠাপক অধ্যক্ষ কমল চন্দ্ৰ গোস্বামী আৰু প্ৰতিষ্ঠাপক সভাপতি ৰত্নকান্ত বৰাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকা 'ৰত্ন কমল' উন্মোচন কৰা হয়। ৰত্ন কমল উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পি কে ডি পুৰকায়স্থই। সমগ্ৰ অনুষ্ঠানটোৰ আঁতধৰে মহাবিদ্যালয়খনৰ জ্যেষ্ঠ অধ্যাপিকা বিজুমণি পাঠকে। উক্ত অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ দাতা পৰিয়ালৰ হৈ অধিবক্তা নৱ গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণধৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক-ড° প্ৰফুল্ল শইকীয়া, জেহিৰুল ইছলাম পাঠান, উপাধ্যক্ষ উমেশ্বৰ শইকীয়াৰ লগতে অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে ৪২সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিয়লি ৪২ গছি বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীটো শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নৰেশ চন্দ্ৰ শৰ্মা আৰু তুলাৰাম বৈদাই।



### নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়

## ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**প্ৰতিদিন সেৱা, বেবেজীয়া, ২৪ ছেপ্টেম্বৰ ঃ** নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। আৰম্ভণিত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এক অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিচতে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ বৰাই। ইয়াৰ পিচত গোপীনাথ দেৱগোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, প্ৰতিষ্ঠাপক অধ্যক্ষ কমল চন্দ্ৰ গোস্বামী আৰু প্ৰতিষ্ঠাপক সভাপতি ৰত্নকান্ত বৰাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ প্ৰাচীৰ প্ৰত্ৰিকা 'ৰত্ন কমল' উন্মোচন কৰা হয়। ৰত্ন কমল উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পি কে ডি পুৰকায়স্থই। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা বিজুমণি পাঠকে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ দাতা পৰিয়ালৰ হৈ অধিবক্তা নৱ গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গুণধৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যাপক ক্ৰমে ড° প্ৰফুল্ল শইকীয়া, জেহিৰুল ইছলাম পাঠান, মহাবিদ্যালয়ৰ উপাধ্যক্ষ উমেশ্বৰ শইকীয়াৰ লগতে মাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিয়লি ভাগলৈ ৪২ গছি বন্তি প্ৰজ্বলন কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ক্ৰমে নৰেশ চন্দ্ৰ শৰ্মা আৰু তুলাৰাম বৈদাই।

PRINCIPAL
NAGAON GNDG
COMMERCE COLLEGE
NAGAON :ASSAM